**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-03-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিশ্ব বন্যপ্ৰাণী দিৱস উপলক্ষে জুনাগড়ত আয়োজিত এটা অনুষ্ঠানত অধ্যক্ষতা কৰে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি নতুন দিল্লীত বেলজিয়ামৰ উপ-প্ৰধানমন্ত্ৰী আৰু বৈদেশিক মন্ত্ৰী মেক্সিম প্ৰিব'টৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে।

৩। অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি চতুৰ্থ দিনা প্ৰশ্ন-উত্তৰেৰে সদনৰ কাৰ্যসূচী আৰম্ভ হয়।

৪। লছ এঞ্জেল্‌ছত ৯৭ সংখ্যক অস্কাৰ বঁটা প্ৰদান অনুষ্ঠানত ছিন বেকাৰ পৰিচালিত ৰোমাণ্টিক হাস্য-ব্যংগ চলচ্চিত্ৰ 'এন'ৰা'ই সৰ্বাধিক ৫ টা পুৰস্কাৰ অৰ্জন কৰিছে।

আৰু

৫। ভাৰতৰ কৃষ্ণা জয়শংকৰে ইনড'ৰ শ্বট পুটত ১৬ মিটাৰ দূৰত্ব অতিক্ৰম কৰা ভাৰতৰ প্ৰথমগৰাকী মহিলা খেলুৱৈ হিচাপে অভিলেখ সৃষ্টি কৰিছে।

ooooooooo

আজি বিশ্ব বন্যপ্ৰাণী দিৱস। এই দিৱসৰ সৈতে সংগতি ৰাখি গুজৰাটৰ জুনাগড় জিলাৰ ছাছন গীৰত আয়োজিত এটা অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অধ্যক্ষতা কৰে। এই উপলক্ষে অনুষ্ঠিত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ সপ্তমখন বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ভূপেন্দ্ৰ যাদৱৰ লগতে ভিন ভিন ৰাজ্যৰ সদস্য, বন্যপ্ৰাণী সংৰক্ষণৰ সৈতে জড়িত বেচৰকাৰী সংস্থাৰ প্ৰতিনিধি, ৰাজ্যসমূহৰ মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেন আৰু সচিবসকলেও অংশগ্ৰহণ কৰে।

আজিৰ এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে জুনাগড়ত স্থাপন কৰিবলগীয়া বন্যপ্ৰাণীৰ ৰাষ্ট্ৰীয় ৰেফাৰেল কেন্দ্ৰ এটাৰ আধাৰশিলা ভাৰ্চুৱেল ব্যৱস্থাৰ জৰিয়তে স্থাপন কৰে। আজিৰ বৈঠকত অংশগ্ৰহণ কৰাৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে গীৰ ৰাষ্ট্ৰীয় উদ্যানখন পৰিদৰ্শন কৰাৰ লগতে বনাঞ্চলৰ সিন্‌হ সদন চৌহদত গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তদুপৰি তেওঁ ৰাষ্ট্ৰীয় উদ্যানখনৰ বন্যপ্ৰাণীৰ সংৰক্ষণ তথা ব্যৱস্থাপনাৰ সৈতে জড়িত কৰ্মচাৰীৰ পহৰাদাৰী দুচকীয়া বাহনবো ফ্লেগ অফ কৰে। গীৰ ৰাষ্ট্ৰীয় উদ্যানৰ ভিন ভিন ক্ষেত্ৰৰ সৈতে জড়িত কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰি শ্ৰী মোদীয়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ বিষয়ে বুজ লয়।

উল্লেখযোগ্য যে বন্য প্ৰাণী সংৰক্ষণৰ প্ৰতি গুৰুত্ব আৰোপ আৰু বিলুপ্তপ্ৰায় প্ৰাণীসমূহ বিশ্বজুৰি সন্মুখীন হোৱা প্ৰত্যাহ্বান সন্দৰ্ভত সচেতনতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে তিনি মাৰ্চত বিশ্ব বন্যপ্ৰাণী দিৱস উদযাপন কৰা হয়।

কেন্দ্ৰীয় চৰকাৰে দেশত বন্যপ্ৰাণীৰ সংৰক্ষণ আৰু সুৰক্ষাৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ উদ্দেশ্যে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে প্ৰাকৃতিক ঐতিহ্যৰ সংৰক্ষণ তথা সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্দিষ্ট নীতি-নিৰ্দেশনাৰে সৈতে প্ৰয়োজনীয় কাৰ্যব্যৱস্থা ৰূপায়ণ কৰি আহিছে।

ooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি নতুন দিল্লীত বেলজিয়ামৰ উপ-প্ৰধানমন্ত্ৰী আৰু বৈদেশিক মন্ত্ৰী মেক্সিম প্ৰিব'টৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। শ্ৰী জয়শংকৰে বেলজিয়ামৰ সৈতে ভাৰতৰ ঐতিহাসিক সম্বন্ধৰ কথা উল্লেখ কৰে। বৈঠকত ড° জয়শংকৰে দুয়োখন দেশৰ মাজত সৌহাদ্যপূৰ্ণ সম্পৰ্ক অব্যাহত ৰখাৰ বাবে বাণিজ্য, উদ্যোগ, শিক্ষা, উদ্ভাৱন আৰু সাংস্কৃতিক আদান-প্ৰদান কৰাৰ ক্ষেত্ৰত মত প্ৰকাশ কৰে। তেওঁ ছেমি কণ্ডাক্টৰ, কৃত্ৰিম বুদ্ধিমত্তা আৰু সেউজ শক্তি সন্দৰ্ভতো অতিথিগৰাকীৰ সৈতে আলোচনা কৰে। ড° জয়শংকৰে আজি বিয়লি বেলজিয়ামৰ ৰাজকুমাৰী অষ্ট্ৰিডৰ সৈতে মিলিত হ'ব। সাদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা ৰাজকুমাৰীগৰাকীয়ে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব।

০০০০০০০০০

জম্মু আৰু কাশ্মীৰ আৰক্ষীয়ে কালি পুঞ্চ জিলাৰ তিনিটা সন্ত্ৰাসবাদীৰ মালিকানাধীন ৯ বিঘাৰো অধিক পৰিমাণৰ ভূমি সম্পত্তি বাজেয়াপ্ত কৰে। চাৰি ঠাইত থকা এই সম্পত্তিখিনিৰ মূল্য ২৮ লাখ টকাতকৈও অধিক হ'ব বুলি ঠাৰৰ কৰা হৈছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা মতে বাজেয়াপ্ত কৰা এই সম্পত্তিসমূহ অঞ্চলটোৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা এলেকাৰ অন্তৰ্গত কাছ্বা আৰু কীৰ্নি গাঁৱৰ বাসিন্দা তিনিটা সন্ত্ৰাসবাদীৰ বুলি চিহ্নিত কৰা হৈছে। সম্প্ৰতি পাকিস্তানৰ পৰা সন্ত্ৰাসবাদী কাৰ্যকলাপ চলাই থকা এই তিনিওজন লোকেই ইতিমধ্যে পাক অধিকৃত কাশ্মীৰলৈ পলায়ন কৰা বুলি সংবাদদাতাগৰাকীয়ে জানিবলৈ দিয়ে।

সন্ত্ৰাসবাদীৰ প্ৰতি বিভিন্ন পক্ষই আগবঢ়াই অহা সহায়-সমৰ্থনক বাধা দিয়াৰ লগতে সীমান্তৰ সিপাৰৰ পৰা চলাই থকা সন্ত্ৰাসবাদী কাৰ্যকলাপ প্ৰতিহত কৰাৰ প্ৰয়াসৰ অংশ হিচাপে ভূমি বাজেয়াপ্তকৰণৰ এই অভিযান কাৰ্যকৰী কৰা হৈছে। স্থানীয় কৰ্তৃপক্ষসমূহে সন্ত্ৰাসবাদীক পুঁজিৰ যোগান তথা অঞ্চলটোলৈ অহা সন্ত্ৰাসবাদৰ ভাবুকি মষিমুৰ কৰাৰ উদ্দেশ্যে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০০০

প্ৰতিৰক্ষা বাহিনীসমূহৰ মুৰব্বী জেনেৰেল অনিল চৌহানে কাইলৈৰপৰা অষ্ট্ৰেলিয়া ভ্ৰমণ কৰিব। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত প্ৰতিৰক্ষা সহযোগিতা অধিক বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে তেওঁ দেশখনলৈ যাব। ভ্ৰমণকালত শ্ৰী চৌহানে অষ্ট্ৰেলিয়াৰ প্ৰতিৰক্ষা বাহিনীৰ নেতৃত্ব আৰু প্ৰতিৰক্ষা বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে বিশদভাৱে আলোচনাত মিলিত হ'ব। তেওঁ অষ্ট্ৰেলিয়াৰ প্ৰতিৰক্ষা বিভাগৰ মুৰব্বী জেনেৰেল এডমিৰেল ডেভিড জনষ্টন, প্ৰতিৰক্ষা সচিব গ্ৰেগ মৰিয়াৰ্টি আৰু তিনিওটা সামৰিক বাহিনীৰ মুৰব্বীসকলৰ সৈতে বৈঠকত মিলিত হ'ব। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ব্যাপক পৰিসৰত সহযোগিতা বৃদ্ধি আৰু দেশ দুখনৰ মাজত  সামৰিক আৰু কূটনৈতিক পৰ্যায়ত উমৈহতীয়া কৌশলগত সহযোগিতা বৃদ্ধি কৰাৰ বাবে তেওঁ দেশখনলৈ গৈছে।

০০০০০০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি চতুৰ্থ দিনা প্ৰশ্ন-উত্তৰেৰে সদনৰ কাৰ্যসূচী আৰম্ভ হয়। ৯ দিনৰ বিৰতিৰ মূৰত দিছপুৰত পুনৰ আৰম্ভ হোৱা অধিৱেশনত আজি ৭ টা প্ৰশ্ন উত্থাপন কৰা হয়। অধিৱেশনৰ আৰম্ভণিতে কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক নগাঁৱৰ ৰাজপথত আক্ৰমণ কৰা সন্দৰ্ভত কংগ্ৰেছে সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। কংগ্ৰেছৰ বিধায়ক ৰাজেদ আলী চৌধুৰীয়ে এই আক্ৰমণৰ ঘটনাৰ তদন্ত কিধৰণে আগবাঢ়িছে, সেই বিষয়ে প্ৰশ্ন কৰে। তেওঁ চৰকাৰে এই সন্দৰ্ভত কেতিয়া বিবৃতি  প্ৰদান কৰিব সেই সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। সেই অনুসৰি সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এটা বিবৃতি সদনত প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে এই ঘটনাৰ তদন্ত মধ্য অসমৰ আৰক্ষী মহা পৰিদৰ্শকৰ হাতত ন্যস্ত কৰা হৈছে বুলি অৱগত কৰে। চৰকাৰে নিৰাপত্তাৰ ক্ষেত্ৰত কোনোধৰণৰ আপোচ নকৰে বুলিও মন্ত্ৰী শ্ৰী পাটোৱাৰীয়ে সদনক জনায়। চৰকাৰৰ এই উত্তৰত বিৰোধী দল সন্তুষ্ট নোহোৱাত এই বিষয়টো লৈ তেওঁলোকে পুনৰ প্ৰতিবাদ কৰে। বিৰোধীয়ে তোলা সভাস্থগিত প্ৰস্তাৱত অনুমতি দিব নোৱাৰে বুলি অধ্যক্ষই প্ৰকাশ কৰে। লগে লগে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈ আৰু চি পি আই এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে অধ্যক্ষৰ আসনৰ ওচৰলৈ গৈ তেওঁলোকৰ দাবীসমূহ উত্থাপন কৰিবলৈ ধ্বনি দিয়ে। অধ্যক্ষই এই দাবী অগ্ৰাহ্য কৰি বিদ্যাচিং ইংলেঙক শূন্যকালত বিষয়টো উত্থাপন কৰিবলৈ কয়। শ্ৰী ইংলেঙে বিষয়টো উত্থাপন কৰে যদিও সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। বিধায়ক কমলাক্ষ দে পুৰকায়স্থৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয়, যে অসমৰ থানাসমূহত ৰুজু হৈ থকা ১৭ হাজাৰ ৯০০ৰো অধিক গোচৰ নিষ্পত্তি কৰা হৈছে। ১৩ হাজাৰৰো অধিক গোচৰ নিষ্পত্তি কৰিবলৈ বৰ্তমান বাকী আছে বুলি শ্ৰী পাটোৱাৰীয়ে কয়। ইয়াৰ পাছতে কংগ্ৰেছ, চি পি আই এম আৰু ৰাইজৰ দলে সদন ত্যাগ কৰে।

আজিৰপৰা পৰা শুকুৰবাৰলৈ চলিবলগীয়া সদনৰ বৈঠকৰ সময়ছোৱাত কেইবাখনো বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে বাজেট উত্থাপন কৰিব। ১১ আৰু ১২ মাৰ্চত বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ১৩ৰ পৰা ২০ মাৰ্চলৈ সদনৰ স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে বিধানসভাৰ কাম-কাজ স্থগিত থাকিব। ২১, ২৪ আৰু ২৫ মাৰ্চত পুনৰ সদনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হ'ব। ২৫ মাৰ্চত অসম

বিধানসভাৰ এইবাৰৰ অধিৱেশন অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বাজেট সন্দৰ্ভত কিবা বিশেষ পৰামৰ্শ থাকিলে, সেই পৰামৰ্শ সমূহ সামাজিক মাধ্যমযোগে তেওঁক অৱগত কৰিবলৈ আহ্বান জনাইছে। বিশেষকৈ বিভিন্ন বিষয়ৰ উদ্ভাৱনীমূলক পৰামৰ্শ আগবঢ়াবলৈ তেওঁ জনসাধাৰণক আহ্বান জনাইছে। বহিঃৰাজ্যত থকা অসমীয়াসকলে তেওঁলোকে বসবাস কৰি থকা ৰাজ্যসমূহত কিবা নতুন কাম হৈছে নেকি সেই বিষয়টো মুখ্যমন্ত্ৰীক জনাব পাৰিব বুলি তেওঁ সামাজিক মাধ্যমযোগে উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সামাজিক মাধ্যম ফে'চবুকৰ জৰিয়তে বিভিন্ন বিষয়ত মন্তব্য কৰাৰ লগতে জনসাধাৰণৰ প্ৰতি এই আহ্বান জনায়।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিধানসভা অধিৱেশন অনুষ্ঠিত হোৱা দিনত প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে **বিধানসভাত আজিৰ দিনটো** শীৰ্ষক অনুষ্ঠান প্ৰচাৰ কৰিব। তদুপৰি ১০ মাৰ্চত বিত্তমন্ত্ৰীয়ে সদনত দিয়া বাজেট ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ সম্প্ৰচাৰ কৰিব।

ooooo

উচ্চতম ন্যায়ালয়ে আজি দৃষ্টি শক্তিহীন লোকসকলক ন্যায়িক সেৱাত নিয়োগৰ পৰা বঞ্চিত কৰিব নোৱাৰিব বুলি ঐতিহাসিক ৰায় প্ৰদান কৰিছে। ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু ন্যায়াধীশ আৰ মহাদেৱনক লৈ গঠিত এখন বিচাৰপীঠে এই সন্দৰ্ভত ছখন আবেদনৰ ৰায় সুৰক্ষিত ৰাখে। ন্যায়াধীশ মহাদেৱনে কয়, যে ন্যায়িক সেৱাত নিয়োগৰ ক্ষেত্ৰত দৃষ্টিহীন লোকসকল কোনোধৰণৰ ভেদ-ভাৱৰ সন্মুখীন হোৱা উচিত নহয় আৰু তেওঁলোকে যাতে সকলোধৰণৰ ন্যায্যতা লাভ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা উচিত। আগশাৰীৰ বিচাৰপীঠখনে মধ্যপ্ৰদেশ ন্যায়িক সেৱা ১৯৯৪ চনৰ আইন অনুসৰি দৃষ্টিশক্তিহীন আৰু কমকৈ দেখা পোৱা প্ৰাৰ্থীসকলক ৰাজ্যখনৰ ন্যায়িক সেৱাত নিযুক্তি লাভ কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰা সন্দৰ্ভত এই ৰায় প্ৰদান কৰে। আগশাৰীৰ বিচাৰপীঠ খনে এই বিষয়টো বিবেচনা কৰি সকলোৱে যাতে সমতা লাভ কৰে, তাক সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে।

ooooooooo

লছ এঞ্জেল্‌ছত ৯৭ সংখ্যক অস্কাৰ বঁটা প্ৰদান অনুষ্ঠানৰ  সামৰণি পৰিছে। ছিন বেকাৰ পৰিচালিত ৰোমাণ্টিক হাস্য-ব্যংগ চলচ্চিত্ৰ 'এন'ৰা'ই সৰ্বাধিক ৫ টা পুৰস্কাৰ অৰ্জন কৰে। 'এন'ৰা'ই শ্ৰেষ্ঠ চলচ্চিত্ৰ, শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ মৌলিক চিত্ৰনাট্য, শ্ৰেষ্ঠ সম্পাদনা আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰে। 'এন'ৰা'ত কৰা বলিষ্ঠ অভিনয়ৰ বাবে মিকি মেডিছন শ্ৰেষ্ঠ অভিনেত্ৰী হিচাপে বিবেচিত হয়।

অৱশ্যে চলিত বৰ্ষত 'এমিলিয়া পেৰেজ'-এ ১৩ টা শিতানত মনোনয়ন লাভ কৰিছিল। 'এমিলিয়া পেৰেজ'ত কৰা অভিনয়ৰ বাবে জ' ছালদাই প্ৰথমবাৰৰ বাবে সহ-অভিনেত্ৰীৰ বঁটা লাভ কৰে। 'দা ব্ৰুটেলিষ্ট'ত কৰা অনবদ্য অভিনয়ৰ বাবে এড্ৰিয়ান ব্ৰডিয়ে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰে।

ইফালে, 'এ ৰিয়েল পেইন'ত কৰা অভিনয়ৰ বাবে কেৰান কুলকিনে শ্ৰেষ্ঠ সহ-অভিনেতাৰ বঁটা লাভ কৰে। 'ডুন পাৰ্ট টু'ৰে শ্ৰেষ্ঠ শব্দ আৰু শ্ৰেষ্ঠ ভিজুৱেল এফেক্টৰ বঁটা লাভ কৰে। 'উইকেড'ত  কৰা সাজ-সজ্জাৰ বাবে পল তাজেৱেলে শ্ৰেষ্ঠ সাজ-সজ্জাৰ বঁটা লাভ কৰে। 'ন' আদাৰ লেণ্ড' নামৰ তথ্যচিত্ৰখনে শ্ৰেষ্ঠ তথ্যচিত্ৰৰ অস্কাৰ লাভ কৰে।

ooooooo

ভাৰতৰ কৃষ্ণা জয়শংকৰে ইনড'ৰ শ্বট পুটত ১৬ মিটাৰ দূৰত্ব অতিক্ৰম কৰা ভাৰতৰ প্ৰথমগৰাকী মহিলা খেলুৱৈ হিচাপে অভিলেখ সৃষ্টি কৰিছে। ২০২৫ বৰ্ষৰ Mountain West Indoor Track And Field Championship ত ১৬ দশমিক ০ - ৩ মিটাৰ দূৰত্বলৈ শ্বট পুট দলিয়াই ২২ বছৰীয়া খেলুৱৈগৰাকী এই অভিলেখৰ অধিকাৰী হয়। ইয়াৰ পূৰ্বে ২০২৩ চনত অনুষ্ঠিত American Athletic Conference Indoor Championship ত ১৫ দশমিক ৫ - ৪ মিটাৰ দূৰত্ব অতিক্ৰম কৰি ভাৰতৰ পূৰ্ণা ৰাও ৰানেই স্থাপন কৰা অভিলেখ তেওঁ ভংগ কৰে। এই সাফল্যৰ জৰিয়তে কৃষ্ণা জয়শংকৰে প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। এই প্ৰতিযোগিতাত আমেৰিকাৰ মিয়া লেছনাৰে  সোণৰ পদক আৰু গেবি মৰ্নছে ৰূপৰ পদক লাভ কৰে।

ooooooooo

সমাপ্ত